# CONTENTS

## BUDGET SESSION
## No. 14
Dated, the 5th April, 2000


| | | Page |
|---|---|---|
| 1. | Obituary Reference | 1 |
| 2. | Adjourment | 2 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Wednesday, the 5th April, 2000.**

**The House met at 4 P.M. of the Clock in the Assembly Chamber, at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.**

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল, আজি অতি দুখেৰে আপোনালোকক জনাওঁ যে যোৱা কালিলৈকে এই বিধান সভাৰ মজিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰি থকা আমাৰ এগৰাকী বিধায়ক বন্ধু বিনোদ গয়াৰীৰ আজি পুৱা নিজ বাস ভৱনত অকাল মৃত্যু হৈছে। সেই কাৰণে আজিৰ দিনটোত সদনৰ কাৰ্য্যসূচী বাতিল কৰি তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ অনুমতি বিচাৰিছো।

(সদনত টেবুল ঢকিয়াই সমৰ্থন জনায়)

## মৃত্যু প্ৰসঙ্গ

মাননীয় অধ্যক্ষ ঃ

অতি দুখ আৰু ব্যথিত হৃদয়েৰে চলিত অসম বিধান সভাৰ উদীয়মান সদস্য শ্ৰীবিনোদ গয়াৰীৰ অকাল বিয়োগত শোক প্ৰকাশ কৰিবলৈ ওলাইছো।

শ্ৰীবিনোদ গয়াৰী বৰপেটা জিলাৰ শালবাৰী গাওঁত এক দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰে। তেখেত সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বৰপেটা জিলাৰ শালবাৰী কলেজত ইংৰাজী বিভাগৰ প্ৰবক্তা ৰূপে কৰ্ম জীৱনৰ পাতনি মেলে। দেশ সেৱাত আগ্ৰহী শ্ৰীগয়াৰীয়ে কলেজ শিক্ষকৰ পদ ত্যাগ কৰি বড়ো লেণ্ড অটোনমাছ কাউন্সিলৰ কাৰ্য্যবাহী সদস্য নিযুক্ত হৈছিল। শ্ৰীগয়াৰী ১৯৯৮ চনৰ ২৮ নবেম্বৰত উপ নিৰ্ব্বাচনত পি-ডি-এফ দলৰ প্ৰাৰ্থী ৰূপে প্ৰতিদন্দিতা কৰি ভৱানীপুৰ সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈ ১৯৯৮ চনৰ ১ ডিচেম্বৰ তাৰিখে সদস্য ৰূপে শপত গ্ৰহণ কৰে। এই উদীয়মান সদস্য গৰাকীৰ আজি পুৱা অসম বিধান সভাৰ সদস্যৰ নতুন আৱাস গৃহত নিজৰ শোৱা কোঠাত পৰলোক প্ৰাপ্তি ঘটে। তেখেতৰ অকাল বিয়োগত অসমে এজন উদীয়মান নিস্বাৰ্থ সমাজ কৰ্ম্মী আৰু দেশসেৱকক হেৰুৱালে। তেখেতৰ অকাল বিয়োগত অসমৰ এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া মাননীয় সদস্য সকলক নিজ নিজ স্থানত থিয় হৈ দুই মিনিট সময় মৌণতা অৱলম্বন কৰি বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিবলৈ মই অনুৰোধ কৰিলো।

আজি আমাৰ কাৰ্য্যালয় বন্ধ ৰখা হৈছে। মাননীয় মুখ্যমন্ত্ৰী আৰু বিধায়ক সকলক তেখেতৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবৰ কাৰণে অনুৰোধ জনালো। আজিৰ সদন অহা কালিৰ বিয়লি ৪ বজালৈ স্থগিত ৰখা হ'ল।

# Adjournment

The House then stood adjourned at 4.10 P.M. till 4 P.M. on Thursday the 6th April, 2000.

Dispur
The 5th April, 2000

D. Talukdar
Secretary
Assam Legislative Assembly